بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ৫ আগষ্ট তাৰিখত হাদীকাতুল মাহদী জলছাগাহ (বৃটেইন) ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**২০২২ চনৰ বৃটেইনৰ বাৎসৰিক জলছা সম্পৰ্কে আলপৈচানকাৰী আৰু অতিথি বৃন্দলৈ কিছুমান নচিহত।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বছৰ বৃটেইনৰ যি জলছা অনুষ্ঠিত হ'বলৈ লৈছে, এয়া ২০১৯ চনৰ পিছত এই বছৰ আকৌ ডাঙৰকৈ অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। এটা নিৰ্ধাৰিত লোক সংখ্যাৰ সন্মিলন আছিল। যিয়েই নহওঁক এই বছৰও এই বাৎসৰিক জলছা কেৱল বৃটেইনৰ জামাতৰেই জলছা যদিও বাহিৰৰ পৰা কিছু সংখ্যক অতিথি আহি যোগদান কৰিছে। কিন্তু জলছাৰ তিনিওটা দিন ইনশা আল্লাহ বৃটেইনৰ সকলো জামাতৰ সদস্যই যোগদান কৰিব পাৰিব আৰু আশা কৰো ইনশা আল্লাহ তা'লা সকলোৱে যোগদান কৰিব। যেনেকৈ আমি সকলোৱে জানো যে কভিডৰ বাবে এই জলছাৰ ধাৰাবাহিকতাত যতি পৰিছিল আৰু আমি জলছাৰ কল্যাণৰ পৰা বঞ্চিত হৈ আহিছিলো আৰু ইয়াৰে এটা বছৰত আমি সমূলি বঞ্চিত হৈ পৰিছিলো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে জলছাত যোগদানকাৰীক সাৱধানতা অৱলম্বন কৰিবলৈ, মাস্ক পিন্ধিবলৈ আৰু আহোতে, যাওঁতে ব্যৱস্থাপকৰ ফালৰ পৰা যোগান ধৰা হোমিওপ্যাথিক ঔষধ ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিছে আৰু কৰ্মী বৃন্দক নচিহত কৰিছে যে জলছাৰ কৰ্মীসকল আৰু স্বেচ্ছাকৰ্মী সকল যিসকলে হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি সকলৰ বাবে সময় কোৰবাণী কৰি থাকে,তেওঁলোকক মই জলছাৰ এসপ্তাহ আগত জুমাৰ খোতবাত কিছুমান বিষয়লৈ মনোযোগ আকৰ্ষণ কৰি থাকো। কিন্তু যোৱা জুমাৰ খোতবাত মই এই ফালে কোনো কথা ক'ব পৰা নাই। গতিকে আজি মই এই বিষয়ে কিছুমান কথা আলোকপাত কৰিম। যদি আমি এই কথাবোৰ মানি চলো তেন্তে জলছাৰ প্ৰকৃত

পৰিৱেশৰ পৰা ইনশা আল্লাহ তা'লা আমি লাভবান হ'ব পাৰিম। হজৰত মছীহ মাওউদ (আঃ)ৰ মন্তব্য অনুযায়ী এই জলছা কোনো জাগতিক মেলা আদিৰ দৰে নহয়; বৰং আমি ইয়াতে আল্লাহ আৰু তাৰ ৰছুলৰ কথা শুনিবলৈ আৰু সেইমতে নিজকে আগবঢ়াই লৈ যাবলৈ জমা হৈ থাকো আৰু জমা হৈছো।

হুজুৰ আনোৱাৰ ( আইঃ)য়ে কয় যে জলছাৰ কাম কেৱল জলছাৰ তিনিটা দিনেই নহয়; বৰং এই কাম কেইবা সপ্তাহ আগৰ পৰাই আৰম্ভ হৈ যায় আৰু এতিয়া সেইবোৰ এম.টি. এৰ মাধ্যমত খবৰ হিচাপে আৰু সৰু সৰু ভিডিঅ ক্লিপছ বনাই দেখুওৱা হয় যে কেনেদৰে কাম চলি আছে। কিছুমান কাম আছে, সেইবোৰ বাহিৰৰ কম্পানী অথবা ঠিকাদাৰৰ হতুৱাই কৰোৱা হৈ থাকে কিন্তু ইয়াৰ উপৰিও বহুতো কাম আছে, যত মানৱ শক্তিৰ প্ৰয়োজন আছে আৰু এই শক্তি স্বেচ্ছাকৰ্মী সকলে নিজৰ সময় খৰচ কৰি খিদমত হিচাপে আগবঢ়ায়। জগতবাসীয়ে চেষ্টা কৰে যে তেওঁলোকেও স্বেচ্ছায় কাম কৰোতা লোক পাওঁক, কিন্তু জামাত আহমদীয়াৰ ইতিহাস ইয়াৰ সম্পূৰ্ণ বিপৰীত উদাহৰণ আগবঢ়ায় যে ইমানেই কাম কৰোতা আহি যায় যে ব্যৱস্থাপনাৰ ফালৰ পৰা সেয়া চম্ভালি ল'বলৈ অপৰাগ হৈ পৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে নিমন্ত্ৰণ বিভাগে ভৱিষ্যতলৈ এয়া নোট কৰি লোৱা উচিত হ'ব যে জলছাৰ আগত অথবা পিছত ওয়াকাৰে আমলৰ যিবিলাক কাম আছে সেইবোৰ সম্পন্ন কৰিবলৈ তেহেৰিক কৰাৰ লগে লগে বেছি বেছি মানুহ আহি যায়। এনেদৰে যোৱা দেউবাৰে ইমানেই কৰ্মী হাদিকাতুল মাহদীত আহি জমা হৈছিল যে সেয়া ব্যৱস্থাপনাৰ ফালৰ পৰা কল্পনাও কৰা নাছিল আৰু মইয়ো অনুমান কৰিছিলোঁ যে তেওঁলোকৰ বাবে খোৱা-লোৱাৰও সুব্যৱস্থা কৰা হোৱা নাই। অৱশ্যে পৰিচালক মণ্ডলিৰ ফালৰ পৰা এয়া লক্ষ্য কৰা উচিত আছিল আৰু প্ৰথমেই সকলো সুব্যৱস্থা কৰিব লাগিছিল। এই স্বেচ্ছাকৰ্মী সকলে কোনো ভোজন পৰ্বত আহি জমা হোৱা নাছিল। এওঁলোকে পুৱাৰে পৰাই কামত ব্যস্ত হৈ পৰিছিল অৰ্থাৎ তাতেই সকলো লোক উপস্থিত আছিল। মোৰ ধৰাণা হয় যোৱা জুমাৰ খোতবাত যেতিয়া মই জলছা সম্পৰ্কে আৰু কৰ্মী বৃন্দলৈ দোৱা কৰিবলৈ কৈছিলো,হয়তো লগে লগে সকলোৰে মাজত এটা অনুপ্ৰেৰণা জাগি উঠিছিল যাৰ ফলত সকলোৰে খিদমত কৰিবলৈ আগবাঢ়ি আহিছে।

যিয়েই নহওঁক পৰিচালক মণ্ডলীয়ে এই ফালে যেন সকলো সময়তে পূৰ্ণ দৃষ্টি ৰাখে। আনফালে জিয়াফতৰ এয়াও এটা কাম যে জলছাৰ দিনবোৰত পৰ্যাপ্ত পৰিমাণে আহাৰ আদিৰ বন্দৱস্থ ৰাখে। জিয়াফত বিভাগৰ দায়িত্ব হ'ল যিসকল অতিথি আহি আছে, তেওঁলোকৰ পূৰ্ণ আলপৈচান ধৰা।

কৰ্মীসকলক মই ক'ব বিচাৰো যে জলছাৰ এই তিনিটা দিনত হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি সকলৰ এনেদৰে সেৱা যত্ন ল'ব যাতে তেওঁলোকে মনত এনেকুৱা এটা উপলব্ধি লৈ ওভতি যায় যে নিজৰ বিষয়া বৰ্গ অথবা কোনো অতিথিৰ ফালৰ পৰা এই খিদমতৰ পৰিৱৰ্তে উপঢৌকন

লোৱা  নহয় বা কোনো পুৰস্কাৰৰ ব্যৱস্থা নাই; বৰং আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে অতিথি সৎকাৰ কৰা হয়। গতিকে আমি সেইজন চাহাবী আৰু তাৰ পত্নীৰ আদৰ্শ মনত ৰাখিব লাগিব, যিজনে ল'ৰা-ছোৱালীক ভোকাতুৰ অৱস্থাত টোপনি নিয়াইছিল আৰু নিজেও ভোক পিয়াহত নিশা-যাপন কৰি অতিথি আলপৈচানৰ দায়িত্ব পালন কৰিছিল। অতিথিৰ আগত এনেকুৱা দৃশ্যৰ অৱতাৰণা কৰিছিল যে প্ৰথমে চাকি নুমাই দি অতিথিৰ লগত নিজেও খোৱাৰ অভিনয় কৰিছিল যাতে অতিথি জনে ভাৱে যে তেওঁলোকেও কিবা খাই আছে। এই অৱস্থা চাই খোদা তা'লাই ইমানেই সুখী আৰু আনন্দিত হয় যে এই খবৰ আঁ-হজৰত (ছাঃ)ক জনাই দিয়ে। পিছদিনাখন আঁ-হজৰত (ছাঃ)য়ে সেই চাহাবী জনক কৈছিল যে তুমি যোৱা ৰাতিত কৰা কাৰ্য্যত সুখী হৈ আল্লাহ তা'লাও হাঁহিছে। আল্লাহ তা'লাই কোৰাণ কৰিমতও এনেকুৱা কোৰবাণী কৰোঁতা সকলৰ বিষয়ে বৰ্ণনা কৰিছে। এনেকুৱা কোৰবাণী কৰোঁতা সকলে নিঃস্বাৰ্থ ভাৱে কোৰবাণী কৰি থাকে আৰু এওঁলোকেই কৃতকাৰ্য্যতা অৰ্জন কৰা লোক।

গতিকে এয়াই আছিল চাহাবী সকলৰ নীতি আদৰ্শ। কিমানেই যে সৌভাগ্যশীল সেই সকল লোক যিসকলে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে অতিথি সেৱা কৰাৰ চেষ্টা কৰি থাকে। আকৌ অতিথিও হ'ল সেই সকল মানুহ, যিসকলে যুগ ইমামৰ আহ্বানত আহি উপস্থিত হয় আৰু আল্লাহ আৰু তাৰ ৰছুলৰ কথাবোৰ মন দি শুনে আৰু আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনৰ মনোবাঞ্ছা লৈ আহি জাগাত উপস্থিত হয়। লগতে সৌভাগ্যশীল হ'ল সেই সকল স্বেচ্ছাকৰ্মী যিসকলে ধৰ্মৰ কাৰণে অহা অতিথি সকলৰ খিদমত আল্লাহ তা'লাক সুখী কৰিবলৈ সম্পন্ন কৰি গৈ আছে।

পুৰুষ, মহিলা আদি সকলোবোৰ কাম সম্পৰ্কে হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেতিয়া ভিন্ন ভিন্ন মানসিকতাৰ বহু সংখ্যক লোক এঠাইত জমা হয়, তাতে কিছুমান উগ্ৰ মন মানসিকতাৰ লোকও থাকে, তেওঁলোকে কোনো কোনো সময়ত কৰ্মীবৃন্দৰ সৈতে কঠোৰ আচৰণ কৰে অথবা কোনো এটা বস্তু কৰ্মী সকলৰ পৰা বিচাৰে। এনেকুৱা অৱস্থাত কৰ্মী সকলে কোনো ধৰণৰ বেয়া আচৰণ অতিথি সকলক দেখুৱাব নালাগে। কোনোবাই কঠোৰ ভাষাৰে কলে সেই অতিথি জনক কোমল আচৰণ দেখুৱাই হাঁহি, মিচিকিৰে উত্তৰ দিব লাগে। যদি অতিথিৰ চাহিদা অনুযায়ী বস্তু থাকে তেন্তে সেয়া পূৰ্ণ কৰিব আৰু যদি নাই, তেন্তে অতিথিৰ চাহিদা অনুযায়ী বস্তু থাকে তেন্তে সেয়া পূৰ্ণ কৰিব আৰু যদি নাই তেন্তে মৰম আৰু কোমল মাতেৰে নুই কৰিব। নাইবা ওপৰৰ অফিচাৰৰ ওচৰলৈ লৈ যাব যাতে অতিথিৰ সমস্যা দূৰ হয়। মাজে সময়ে সমস্যাবোৰ বৰ জটিল হৈ পৰে তথাপি খোদা তা'লাৰ সন্তুষ্টিৰ বাবে এই কাম কৰা উচিত। নিজৰ মুখৰ কথা-বতৰা সমূহ নিয়ন্ত্ৰণত ৰখা উচিত। এনেদৰে কৰ্মী বৃন্দই পৰস্পৰৰ মাজত সম্প্ৰীতি বজায় ৰখাৰ চেষ্টা কৰিব।

অফিচাৰ আৰু পৰিচালক সকলেও নিজৰ সহায়ক সকলৰ লগত কোমল মাতেৰে কথা-বতৰা পাতিব। যদি কোনোবাই কোনো ধৰণৰ ভুল কৰি পেলায় তেন্তে মৰমেৰে শুধৰাই দিব। অফিচাৰ সকলে সদায় মনত ৰাখিব যে স্বেচ্ছাকৰ্মী সকলে আল্লাহ তা'লাৰ সন্তুষ্টিৰ নিমিত্তে মছীহ মাওউদ

(আঃ)ৰ অতিথি বৃন্দৰ খিদমত কৰিবলৈ আহিছে। যদিও এওঁলোকৰ কোনো এটা বিশেষ বিষয়ত কোনো অভিজ্ঞতা নাই, তথাপি খিদমত কৰাৰ নিমিত্তে নিস্বাৰ্থ ভাৱে আগুৱাই আহিছে। গতিকে সিহঁতক সন্মান কৰা উচিত। আল্লাহ তা'লা সকলোকে মিলিজুলি থকাৰ আৰু কাম কৰাৰ তৌফিক দান কৰক আৰু এই আগ্ৰহ তেতিয়াহে জন্ম ল'ব যেতিয়া অফিচাৰ আৰু সহকাৰী সকলে উপলব্ধি কৰিব যে আমি এই খিদমত কোৰবাণীৰ অনুপ্ৰেৰণাত কৰিব লাগিব। বিভিন্ন বিভাগত যিসকল অফিচাৰক নিযুক্ত কৰা হৈছে, তেওঁলোকেও সদায় মনত ৰাখিব লাগিব যে আল্লাহ তা'লাৰ কৃপাত তেওঁলোকে খিদমত কৰাৰ সুযোগ পাইছে। তেওঁলোকে অফিচাৰ নহয়; বৰং খাদিম হিচাপে নিজৰ দায়িত্ব পালন কৰিব লাগিব, নিজৰ উত্তম চৰিত্ৰ প্ৰতিষ্ঠা কৰিব লাগিব। তেতিয়াহে তলতীয়া আৰু সহায়ক সকলে উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰিব। আল্লাহ তা'লা সকলোকে ইয়াৰ বাবে তৌফিক দান কৰক।

হজৰত মছীহ মাওউদ (আঃ)য়ে অতিথি সকলৰ সৈতে কৰা আচৰণ সম্পৰ্কে বহুতো সময়ত উপদেশ আগবঢ়াই থৈ গৈছে। এঠাইত কৈছে যে চোৱা অসংখ্যা অতিথি আহিছে, তাৰে কিছুমানক তোমালোকে চিনি পোৱা  আৰু কিছুমানক চিনি নোপোৱা; গতিকে উচিত হ'ব সকলোকে সন্মানৰ বুলি আতিথ্য কৰা। সেয়ে এই নীতি সদায় প্ৰত্যেক কৰ্মী আৰু বিশেষকৈ সেই কৰ্মী সকল যি সকলৰ সৈতে মানুহৰ পোনে পোনে সম্পৰ্ক হয়। তেওঁলোকে মনত ৰখা উচিত। বিশেষকৈ আলপৈচান বিভাগ আৰু ভোজন বিভাগে এই নীতি কঠোৰ ভাৱে পালন কৰা উচিত।

অতিথি সকলৰ আহাৰ আদি সম্পৰ্কে বিভিন্ন আদেশ উপদেশ দিয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰা প্ৰত্যেকজন লোকৰেই কৰ্তব্য। হজৰত মছীহ মাওউদ (আঃ)য়ে জলছাত অংশ গ্ৰহণ কৰোঁতা সকলৈ নচিহত কৰিছে যে উত্তম চৰিত্ৰ যে উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰা আৰু এজনে আনজনক লক্ষ্য ৰাখা। অংশ গ্ৰহণকাৰী সকলে সদায় এয়া মনত ৰাখিব যে তেওঁ এই জলছাত নিজৰ দ্বীনি শৈক্ষিক আৰু আধ্যাত্মিক অভাৱ দূৰ কৰিবলৈ যোগদান কৰিছে আৰু এয়া লাভ কৰিবলৈ হজৰত মছীহ মাওউদ (আঃ)ৰ এই কথাখিনিক গুৰুত্ব দিব লাগিব যে এই জলছা একমাত্ৰ লিল্লাহি জলছা হয়। গতিকে কেতিয়াও সৰু সৰু সমস্যাত বা কথাত কোনো ধৰণৰ অধৈৰ্য্যতা আৰু দুখ প্ৰকাশ কৰিব নালাগে। কৰ্মী সকলেও মানুহ, যদি তেওঁলোকৰ ফালৰ পৰা কোনো ধৰণৰ ভুল সংগঠিত হয় তেন্তে সেয়া মাৰ্জনা কৰা উচিত। জলছাৰ দিনবোৰত এইফালে অতিকৈ মনোযোগ দিব।

এঠাইত আঁ-হজৰত (ছাঃ)য়ে কৈছে এই দোৱা কৰি যোৱা হে আল্লাহ ! আমি তোমাৰ পৰা এই ভ্ৰমণত কল্যাণ আৰু তাকৱা বিচাৰো, তুমি আমাক এনেকুৱা নেক আমল কৰাৰ তৌফিক দান কৰা, যিটো তোমাৰ পছন্দনীয়। যেতিয়া আমি এনেদৰে দোৱা কৰি থাকিম তেতিয়া আল্লাহ তা'লা আমাৰ ইয়াতে অৱস্থান আৰু আমাৰ ভ্ৰমণও বৰকতময় কৰিব। গতিকে এই দিনবোৰত দোৱা আৰু জিকৰে ইলাহিত ব্যস্ত থাকক। আঁ-হজৰত (ছাঃ)য়ে আমাক সকলো ক্ষেত্ৰতেই দোৱা শিকাইছে। কিছুমান লোকে নিজৰ ঘৰ এৰি জলছাৰ কল্যাণত কল্যাণমণ্ডিত হ'বলৈ আহিছে; তেওঁলোকলৈ পৰিয়ালৰ

লোকেও চিন্তা কৰে। এই সন্দৰ্ভত আঁ-হজৰত (ছাঃ)য়ে কৈছে যে এই দোৱা কৰা, হে আমাৰ খোদা! আমি আশ্ৰয় বিচাৰো ভ্ৰমণৰ কষ্টৰ পৰা, অপছন্দনীয় আৰু অধৈৰ্য্যতাপূৰ্ণ পৰিস্থিতি, ধনমাল আৰু পৰিয়াল বৰ্গৰ  বেয়া আৰু অপছন্দীয় পৰিৱৰ্তনৰ পৰা। এয়া ভ্ৰমণৰ বাবে বৰ ডাঙৰ দোৱা হয়। এয়া সকলো প্ৰকাৰৰ বিপদ-আপদৰ পৰা নিৰাপদ ৰখাৰ দোৱা। পৰিয়াল বৰ্গক আল্লাহ তা'লাৰ হিফাজতৰ বেষ্টনীত ৰখাৰ দোৱা। এনেকুৱা চিন্তা আৰু এনেকুৱা দোৱাৰে জিভাখন তিয়াই যেতিয়া ইয়াতে নৰ-নাৰীয়ে চলা-ফুৰা কৰিব তেতিয়া ইয়াৰ পৰিৱেশ শান্তিময় হৈ পৰিব আৰু অন্তৰত এক প্ৰশান্তি বিৰাজ কৰিব। লগতে আল্লাহ তা'লাও সকলো অকল্যাণৰ পৰা হিফাজত কৰিব। বৰ্তমানে কভিডৰ চিন্তাও আছে গতিকে দোৱাৰ ফালে বেছি বেছি মনোযোগ  দিয়াৰ প্ৰয়োজন আছে। সাধাৰণ দোৱাৰ সৈতে এই দিন কেইটাত দৰূদ চৰিফ বেছি বেছি পঢ়িব। আল্লাহ তা'লা জলছাত যোগদান কৰা নৰ-নাৰীক হজৰত মছীহ মাওউদ (আঃ)ৰ দোৱাৰ অংশীদাৰ বনাওঁক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 5 AUGUST 2022**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**